بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

## খায়বৰৰ যুদ্ধৰ প্ৰেক্ষাপটত নবী কৰিম (ছাঃ)ৰ জীৱনীৰ বৰ্ণনা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ২৮ ফেব্ৰুৱাৰী ২০২৫ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

أَشْهَدُ أَنْ لَا إِلَٰهَ إِلَّا اللهُ وَحْدَهُ لَا شَرِيكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُولُهُ أَمَّا بَعْدُ فَأَعُوذُ بِاللهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔ بِسْمِ اللهِ الرَّحْمٰنِ الرَّحِيْمِ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۔ الرَّحْمٰنِ الرَّحِيْمِ۔ مٰلِكِ يَوْمِ الدِّيْنِ۔ اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ۔ صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ۔

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে আঁহজৰত (ছাঃ)ৰ জীৱনীৰ আলোকত খায়বৰৰ যুদ্ধত তেখেত (ছাঃ)ৰ কেনেকুৱা আদৰ্শ আছিল এই বিষয়ে বৰ্ণনা হৈ আছিল। যুদ্ধৰ পিছত ইহুদীসকলৰ ফালৰ পৰা নবী কৰিম (ছাঃ)ক হত্যা কৰাৰ ষড়যন্ত্ৰ চলি আছিল, ছাগলীৰ বিষাক্ত মাংস খুৱাবলৈ চেষ্টা কৰা হৈছিল। ইয়াৰ ব্যাখ্যা এনেদৰে যে যেতিয়া খায়বৰ বিজয় লাভ কৰে আৰু ইহুদী সকলে বেয়াকৈ পৰাজয় হয়, তেতিয়া নবী কৰিম (ছাঃ)ৰ দয়া আৰু কৰুণাৰ দ্বাৰা এনেদৰে উপকৃত হয় যে কেৱল নবী কৰিম (ছাঃ)য়ে তেওঁলোকক ক্ষমা কৰা নাছিল বৰং তেওঁলোকক খায়বৰত অৱস্থান কৰাৰো অনুমতি প্ৰদান কৰিছিল। যেতিয়া লোকসকলে সন্তুষ্ট হৈছিল, তেতিয়া এদিনাখন ইহুদী চৰ্দাৰ ছালাম বিন মশ্বকমৰ স্ত্ৰী জয়নব বিনতে হাৰিছে আঁহজৰত (ছাঃ)ৰ সেৱাত ছাগলীৰ মাংস উত্থাপন কৰি কয় যে আপোনাৰ বাবে এইটো উপহাৰ। এই ষড়যন্ত্ৰত মহিলাগৰাকী অকলেই চামিল নাছিল বৰঞ্চ তাইৰ লগতে আৰু লোকও আছিল।

আঁহজৰত (ছাঃ)ৰ নিৰ্দেশ অনুসৰি সেই মাংস তেখেত (ছাঃ)ৰ সন্মুখত ৰাখি দিয়া হৈছিল, তাতে বিশৰ বিন বৰা (ৰাঃ)ও আন কিছুমান চাহাবা সকলৰ সৈতে উপস্থিত আছিল। আঁহজৰত (ছাঃ)য়ে তাৰ পৰা হাতেৰে মাংস উঠায় আৰু তাৰ পৰা অলপ টুকুৰা লয়, ইয়াৰ পিছত আঁহজৰত (ছাঃ)য়ে চাহাবা সকলক কয় যে নিজৰ হাতখন ধৰি ৰখা, কাৰণ হাতত থকা মাংসই কৈ আছে যে ইয়াত বিষ মিলোৱা হৈছে। হজৰত বিশৰ বিন বৰা (ৰাঃ)য়ে কলে যে যেতিয়া মই সেই মাংস খাইছিলো তেতিয়া কিছু মিহলি থকা বুলি অনুভৱ কৰিছিলোঁ, মই এই কাৰণে একোৱে কোৱা নাছিলো যে তেখেত (ছাঃ)ৰ খাদ্য বেয়া হৈ যাব। যেতিয়া

তেখেত (ছাঃ)য়ে খাদ্য মুখৰ পৰা উলিয়াই দিয়ে তেতিয়া মই তেখেত (ছাঃ)ৰ প্ৰতি অধিক গুৰুত্ব দিছিলো, কিন্তু আনন্দ অনুভৱ এই কাৰণেই কৰিছিলোঁ যে তেখেত (ছাঃ)য়ে খাদ্য মুখৰ পৰা খাই পেলোৱা নাছিল বৰঞ্চ মুখৰ পৰা উলিয়াই দিছিল। হজৰত বিশৰ (ৰাঃ)য়ে নিজৰ ঠাইৰ পৰা উঠাই নাছিল তেওঁৰ শৰীৰৰ ৰং পৰিৱৰ্তন হ'ব ধৰিলে আৰু ইমানে অসুস্থ হৈ পৰিল যে কাতি ল'বও নোৱাৰিছিল। প্ৰায় এবছৰ পিছত তেখেত (ৰাঃ)ৰ মৃত্যু ঘটে। আন আন বৰ্ণনা অনুযায়ী হজৰত বিশৰ (ৰাঃ)য়ে নিজৰ ঠাইৰ পৰা উঠিব পৰা নাছিল যে ইমানতেই তেখেত (ৰাঃ)য়ে মৃত্যু বৰণ কৰিছিল। তেখেত (ছাঃ)য়ে সেই মহিলা গৰাকীক মাতি আনি সুধিলে যে তোমাক কোনে এই কাম কৰিবলৈ কৈছিল ? সেই মহিলাজনীয়ে কয় যে মই ভাৱিছো যদি আপুনি ৰজা তেন্তে আমি আপোনাৰ পৰা মুক্তি পাই যাম; আৰু যদি আপুনি নবী হয় তেন্তে আপোনাক সংবাদ প্ৰদান কৰা হ'ব। তেখেত (ছাঃ)য়ে সেই মহিলাগৰাকীক ক্ষমা কৰি দিলে। আন এটা বৰ্ণনা অনুসৰি বিশৰ বিন বৰা (ৰাঃ)ৰ শ্বাহাদত বৰণ কৰাৰ পিছত সেই মহিলাগৰাকীক হত্যা কৰি পেলোৱা হৈছিল। ছহীহ বুখাৰীৰ এটা বৰ্ণনা অনুযায়ী সেই মহিলাগৰাকীক হত্যা কৰা হোৱা নাছিল।

ছহীহ বুখাৰীত হজৰত আয়শা (ৰাঃ)ৰ পৰা বৰ্ণিত যে এটা বৰ্ণনা অনুযায়ী আঁহজৰত (ছাঃ)য়ে মৃত্যুৰ সময়ত কৈ আছিল যে হে আয়শা ! মই সেই খাদ্যৰ কষ্ট যি খায়বৰত খাইছিলো সদায় অনুভৱ কৰি আছিলো এতিয়াও সেই বিষৰ দ্বাৰা মোৰ শিৰা কাটি পেলোৱা বুলি অনুভৱ কৰি আছো। কিছুমান মুফাচ্ছিৰিন সকলে তেখেত (ছাঃ)ৰ সন্দৰ্ভত কৈছে যে তেখেত (ছাঃ)ৰ মৃত্যু খায়বৰৰ সেই বিষৰ কাৰণেই হৈছিল আৰু এনেদৰেই তেখেত (ছাঃ) শ্বহীদ হৈছে, আৰু এইটো হৈছে মহান শ্বহীদ। হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে এনে হেঁচা দিয়াৰ কোনো প্ৰয়োজন নাই। নবী সেই স্থান আৰু মৰ্যাদাৰ অধিকাৰী হয় যে তেখেত ছিদ্দিকও (সত্যাবাদী) হয়, শ্বহীদও হয়। ইহুদীসকলে এই বিষৰ পৰা বাচি যোৱাটোক অলৌকিক বুলি ভাৱিলে আৰু এই কথাৰ প্ৰমাণ বুলি ভাৱিলে যে তেখেত (ছাঃ) মিছা নবী নহয়। কিন্তু কিছুমান সহজ সৰল মুছলমান সকলে এই বিষৰ দ্বাৰা তেখেত (ছাঃ)ৰ শ্বাহাদত প্ৰমাণ কৰিব বিচাৰে। তেখেত (ছাঃ)ৰ মৃত্যু কেতিয়াও এই বিষৰ কাৰণে হোৱা নাছিল। কেৱল কষ্টহে অনুভৱ কৰিছিল।

খায়বৰৰ যুদ্ধত হজৰত চাফিয়া (ৰাঃ)ৰ সৈতে বিয়াৰ উল্লেখ পোৱা যায়। খায়বৰৰ যুদ্ধত যেতিয়া যোদ্ধাসকলক একত্ৰিত কৰা হয় তেতিয়া হজৰত দাহিয়া (ৰাঃ)য়ে আঁহজৰত (ছাঃ)ৰ পৰা অনুমতি লৈ হায় বিন আখতবৰ ছোৱালী চাফিয়া (ৰাঃ)ক লৈ যায়। ইয়াৰ পিছত এজন ব্যক্তি তেখেত (ছাঃ)ৰ ওচৰলৈ আহি কয় যে হায় বিন আখতবৰ ছোৱালী বনু কুৰাইজা আৰু বনু নজিৰৰ ৰাজকুমাৰী হয়; আৰু তাই আপোনাৰ বাহিৰে আন কাৰো বাবে উপযোগী নহয়। তেখেত (ছাঃ)য়ে কলে যে তাইক মাতি আনক, ইয়াৰ পিছত তেখেত (ছাঃ)য়ে কয় যে তাইৰ বাহিৰেও আন কাকো লৈ আহিবা। হজৰত আনছ (ৰাঃ)ৰ পৰা বৰ্ণিত যে আঁহজৰত (ছাঃ)য়ে হজৰত চাফিয়াক স্বাধীন কৰি দিয়ে। মছনদ আহমদ বিন হাম্বলৰ বৰ্ণনাত উল্লেখ পোৱা যায় যে তেখেত (ছাঃ)য়ে হজৰত চাফিয়া (ৰাঃ)ক স্বাধীন কৰা সময়ত কৈছিল যে মই তোমাক স্বাধীন কৰি আছো যদি ইচ্ছা কৰা মোৰ সৈতে বিয়া পাতিব পাৰা, আৰু যদি বিচৰা তেন্তে নিজৰ কবিলা (সম্প্ৰদায়)ৰ ফালে উভতি যাব পাৰা। হজৰত চাফিয়া (ৰাঃ)য়ে আঁহজৰত (ছাঃ)ৰ সৈতে বিয়া পতাটো পছন্দ কৰে।

খায়বৰৰ সকলো কাম শেষ হোৱাৰ পিছত তেখেত (ছাঃ)য়ে তাৰ পৰা ৰাওনা হয়, ৬ মাইল দূৰত্ব অতিক্ৰম কৰি তেখেত (ছাঃ)য়ে অৱস্থান কৰিব বিচাৰিলে যাতে হজৰত চাফিয়া (ৰাঃ)ৰ সৈতে বিয়াৰ কাম সম্পন্ন হ'ব পাৰে। কিন্তু চাফিয়া (ৰাঃ)ৰ ইচ্ছানুসৰি তেখেত (ছাঃ)য়ে যাত্ৰা অব্যাহত ৰাখিলে আৰু ১২

মাইল দূৰত্ব অতিক্ৰম কৰি শিবিৰ পাতে আৰু তাতে হজৰত চাফিয়া (ৰাঃ)ৰ সৈতে বিয়া পাতে। হজৰত চাফিয়া (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে আঁহজৰত (ছাঃ)য়ে খায়বৰৰ অতি কাষত অৱস্থান কৰিব বিচাৰিছিল , কিন্তু মোৰ ভয় হৈছিল যে মোৰ জাতিয়ে তেখেত (ছাঃ)ক যেন কোনো ক্ষতি কৰি নেপেলায়, সেয়ে মই তাতে অৱস্থান কৰাৰ পৰিৱৰ্তে আগবাঢ়ি গৈ অৱস্থান কৰাৰ বাবে আবেদন জনাইছিলো। তেখেত (ছাঃ) উত্তম চৰিত্ৰৰ প্ৰভাৱ আছিল যে হজৰত চাফিয়া (ৰাঃ)ৰ দৃষ্টিত সমগ্ৰ বিশ্বত তেখেত (ছাঃ)তকৈ অধিক প্ৰিয় আন কোনেও নাছিল।

হজৰত আবু আয়ুব আনছাৰী (ৰাঃ)য়ে আঁহজৰত (ছাঃ)ৰ শিবিৰৰ বাহিৰত পহৰা দিয়া আৰু হজৰত আয়ুব (ৰাঃ)য়ে নিষ্ঠাৰ সৈতে কৰা প্ৰেমৰ বাবে তেখেত (ছাঃ)য়ে তেওঁৰ বাবে দোৱা কৰে বুলি উল্লেখ পোৱা যায়। পিছদিনা আঁহজৰত (ছাঃ)ৰ উলিমাৰ অনুষ্ঠান অতি সাধাৰণ ভাৱে মৰ্যাদাৰ সৈতে অনুষ্ঠিত কৰা হয়। তিনি দিন তাতে অৱস্থান কৰাৰ পিছত তাৰ পৰা ৰাওনা হয়। হজৰত চাফিয়া (ৰাঃ)ক স্বাধীন কৰাটোৱে  তাইৰ মোহৰাণা নিৰ্ধাৰণ কৰা হয়। হজৰত চাফিয়া (ৰাঃ)ৰ এটা সপোনৰ কথা উল্লেখ পোৱা যায়। তাই কৈছে যে তেখেত (ছাঃ)ৰ আগমনৰ কিছু দিন আগতে মই সপোনত দেখা পাইছিলোঁ যে ইয়াছৰবৰ পৰা চন্দ্ৰ আহি মোৰ দোলনাত পৰিছে। হজৰত চাফিয়া (ৰাঃ) পঞ্চাচ হিজৰী চনত মৃত্যু বৰণ কৰে আৰু জান্নাতুল বাকিত তাইক দফন কৰা হয়।

হজৰত চাফিয়া (ৰাঃ)ৰ বিয়া সন্দৰ্ভত প্ৰাচ্যতত্ত্ববিদ সকলে বেয়াকৈ অভিযোগ উত্থাপন কৰিছে যে যেতিয়া তেখেত (ছাঃ)য়ে হজৰত চাফিয়াৰ সৌন্দৰ্যতাৰ প্ৰশংসা শুনা পায় তেতিয়া হজৰত দাহিয়া (ৰাঃ)ৰ পৰা তাইক উভতাই দিয়াৰ তলব কৰি তেখেত (ছাঃ)য়ে নিজেই তাইৰ সৈতে বিয়া পাতে। এই সন্দৰ্ভত হুজুৰ আনোৱাৰ (আইঃ)য়ে হজৰত খলিফাতুল মছীহ আউৱাল (ৰাঃ)ৰ এটা বক্তব্য উত্থাপন কৰি কয় যে আৰব দেশৰ এটা প্ৰথা আছিল যে বিজয় হোৱা দেশৰ চৰ্দাৰৰ ছোৱালী বা স্ত্ৰীৰ সৈতে দেশত শান্তি স্থাপন কৰাৰ উদ্দেশ্যে আৰু সেই দেশৰ লোকসকলৰ সৈতে ভালপোৱা সৃষ্টি কৰিবলৈ বিয়া পাতিছিল। সমগ্ৰ প্ৰজা আৰু ৰাজ পৰিয়ালে সন্তুষ্ট হৈ গৈছিল।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে তেখেত (ছাঃ)য়ে যেতিয়া বিয়া পতাৰ সিদ্ধান্ত লয় ইয়াৰ মৌলিক কাৰণ এইটো নাছিল যিদৰে বৰ্ণনা কৰা হয়, ইয়াৰ মূল কাৰণ হ'ব ঐশ্বৰিক সিদ্ধান্ত। তেখেত (ছাঃ)ৰ প্ৰতিটো খোজ আৰু নিস্তব্ধ ঐশ্বৰিক ইচ্ছা অবিহনে নাছিল যিদৰে খোদা তা'লাই কৈছে যে তুমি কৈ দিয়া যে মোৰ উপাসনা, মোৰ কোৰবাণী, মোৰ জীৱন-মৰণ সেই আল্লাহৰ বাবেই হয় যিজনা সমগ্ৰ বিশ্বৰ প্ৰতিপালক। যিজনে সমস্ত কাম সেইজনাৰ স্বাৰ্থত কৰে যাৰ প্ৰত্যেক খোজতে খোদা তা'লাই পথ প্ৰদৰ্শন কৰি থাকিছে, তেন্তে বাৰু, ইমান ডাঙৰ সিদ্ধান্ত তেখেতে নিজেই কেনেকৈ কৰিব ল'ব পাৰে ? গতিকে তেখেত (ছাঃ)ৰ সকলোবোৰ বিয়া নিশ্চয় আল্লাহৰ নিৰ্দেশ মৰ্মে পাতিছিল। ইয়াৰ ফলাফল অতিশয় ফলপ্ৰসূ ওলাইছিল। হজৰত মছীহ মাওউদ (আঃ)য়ে নিজৰ এখন পুস্তক আয়না কামালাতে ইছলামত বৰ্ণনা কৰিছে যে আঁহজৰত (ছাঃ)ৰ সম্বন্ধে চাহাবা সকলৰ নিঃসন্দেহ এই বিশ্বাস আছিল যে তেখেত (ছাঃ)ৰ কোনো কাৰ্য আৰু বাক্য ওহীৰ পৰা খালি নাছিল... তেখেত (ছাঃ)য়ে কৈছে যে সেই অস্তিত্বৰ শপত যাৰ হাতত মোৰ প্ৰাণ আছে, মোৰ দ্বাৰা যি কাম সম্পন্ন হয় সেয়া বক্তব্য হওঁক বা কৰ্মই হওঁক সেই সমূহ খোদা তা'লাৰ  ফালৰ পৰাই হয়। যদি কোৱা হয় যে হাদীছৰ কিতাপ সমূহত কিছু বিষয়ত আঁহজৰত (ছাঃ)ৰ ইজতিহাদী ভুলৰ উল্লেখ পোৱা যায়, যদি সকলোবোৰ বক্তব্য আৰু কৰ্ম আঁহজৰত (ছাঃ)ৰ মাধ্যমে আছিল তেন্তে সেই ইজতিহাদী ভুল কিয় হৈছিল তেনেহলে আঁহজৰত (ছাঃ)ক সেইটোৰ ওপৰত স্থিৰ ৰখা হোৱা নাছিল। হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে ইয়াৰ উত্তৰ এইটো যে

...আমি এই ইজতিহাদী ভুলক ওহীৰ পৰা পৃথক বুলি নাভাৱো, কাৰণ সেইটো সাধাৰণ কথা নাছিল...কেতিয়াবা খোদা তা'লাই কিছু কামৰ শুধৰণীৰ বাবে নবীসকলৰ বুজাবুজি আৰু উপলব্ধীক নিজৰ অধীনত লৈ লয়, তেতিয়া কোনো বক্তব্য বা কৰ্ম হঠাতে ভুল আকাৰে তেওঁলোকৰ পৰা সংঘটিত হয়, আৰু সেই প্ৰজ্ঞা যি ইচ্ছাকৃত আছিল সেয়া প্ৰকাশ পাই যায় তেতিয়া ওহীৰ নদী প্ৰবলতাৰে সৈতে চলি থাকে আৰু ভুলক মাজৰ পৰা উঠাই দিয়া হয়। যেন তাৰ (ভুলৰ)কোনো অস্তিত্বই নাছিল... গতিকে যি পৰিস্থিতিত আমাৰ ছৈয়দ ও মাউলা হজৰত মহম্মদ (ছাঃ)ৰ প্ৰায় দহ লাখ বক্তব্য আৰু কৰ্মত খোদা তা'লাৰ জিলিকনি দেখিবলৈ পোৱা যায়। প্ৰতিটো কথাত, নিস্তব্ধতাত, বক্তব্যত, কৰ্মত পৱিত্ৰ আত্মাৰ পোহৰ দেখিবলৈ পোৱা যায়। গতিকে এটা দুটা ঘটনা যদি মানৱীয় ভাৱে সংঘটিত হয় তাতে কি ক্ষতি আছে, বৰং মানৱৰ প্ৰমাণস্বৰূপে মাজে সময়ে এনেকুৱা হৈ হৈছিল যাতে লোকসকলে শিৰকত লিপ্ত হৈ নপৰে।

গতিকে কোনো হাদীছ বা ইতিহাস বা জীৱনীৰ পুস্তকত আঁহজৰত (ছাঃ)ৰ জীৱনী সন্দৰ্ভত বৰ্ণনা পোৱা যায় তেতিয়া উপৰোক্ত কোৰআনৰ আয়াতৰ আলোকত আৰু হজৰত মছীহ মাওউদ (আঃ)ৰ লিখনীৰ আলোকত সেইবোৰ চোৱা উচিত, সেইবোৰ ঘটনাৰ ওপৰত অভিযোগ উত্থাপন কৰা উচিত নহয় আৰু প্ৰাচ্যতত্ত্ববিদ সকলৰ প্ৰতিটো কথা মানি লোৱা উচিত নহয় আৰু এইটোও ভৱা উচিত নহয় যে আমি উত্তৰ দিব পৰা নাই। এইটোৱে হৈছে আঁহজৰত (ছাঃ)ৰ পৱিত্ৰতাক প্ৰতিষ্ঠিত ৰখাৰ মূল কাম, কেৱল শ্লোগান দিয়াটো উচিত নহয়।

হুজুৰ আনোৱাৰ (আঃ)য়ে কয় যে দুই দিনৰ পিছৰ ৰমজান মাহ আৰম্ভ হৈ আছে। আল্লাহ তা'লা সকলোকে এই ৰমজানৰ পৰা উপকৃত হ'বলৈ সৌভাগ্য দান কৰক। ইয়াৰ কাৰণে দোৱা আৰু চেষ্টা কৰা উচিত। খোতবাৰ শেষত হুজুৰ আনোৱাৰ (আইঃ)য়ে সন্মানীয় চৌধুৰী মহম্মদ ইছলাম চাহাবৰ পুত্ৰ সন্মানীয় চৌধুৰী মহম্মদ আনোৱাৰ ৰিয়াজ চাহাবৰ সদগতি কামনা কৰি নামাজে নাজাজা গায়েব পঢ়াৰ ঘোষণা কৰে।

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَن يَّهْدِهِ اللّٰهُ فَلاَ مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلاَ هَادِىَ لَهٗ وَنَشْهَدُ أَنْ لَآ اِلٰهَ اِلاَّ اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ، عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِى الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR [aba] 28 FEB 2025**

# BOOK POST (PRINTED MATTER)

TO,

..........................................................................................................................

..........................................................................................................................

..........................................................................................................................

NASHOR-O ISHAAT QADIAN, DIST GURDASPUR,143516 PUNJAB